উপলব্ধিত হোৱা শৰীৰ এটা উৎপত্তি আৰু কেতিয়াও অনুৰূপৰ নহয়। গতিকে আত্মাৰ পুনৰ্জন্মক কেতিয়াও চাৰ্বাক দৰ্শনে গ্ৰহণ নকৰে। একেদৰেই স্বৰ্গ-নৰক, অন্যান্য আদিৰ অস্তিত্বকো এই দৰ্শনে নস্যাৎ কৰা দেখা যায়।

গাহ্ আদিৰ নিৰ্দিষ্টৰকমৰ মাদকশক্তিৰ নিচিনা চৈতন্য সৃষ্টি হয়। আৰু বিনাশ হ'লে চৈতন্যও বিনষ্ট হয়। অৰ্থাৎ মৃত্যুৰ পিছত আত্মাৰ অস্তিত্বক এই দৰ্শনে স্বীকাৰ নকৰে। আত্মা তথা শৰীৰ এক বুলিহে- সৰ্বদৰ্শনসংগ্ৰহতো চাৰ্বাক দৰ্শন অনুসৰি মত আগবঢ়োৱা।

আত্মা, তথা পূৰ্বজন্ম, পৰজন্মজাতীয় বিশ্বাসক অগ্ৰাধিকাৰ নিদিয়া এই দৰ্শনৰ মতে মানুহে- মাত্ৰ জীয়াই থকা দিনকেইটা পাই, ইয়ে আনন্দ কৰি জীয়াই থকাৰহে চেষ্টা কৰিব লাগে। মৃত্যুৰ পিছত জীৱদেহৰ আৰু কোনো অস্তিত্ব নাথাকে। আত্মা বুলিও একো বস্তু নাথাকে। সেয়েকে পাপ, পুণ্য, ভাল, বেয়াৰ বিচাৰ কৰি আনন্দ নকৰাকৈ জীৱন উদ্‌যাপন কৰাতকৈ মানুহে আনন্দৰেহে জীৱন জীয়াব লাগে। ইয়াকে কবলৈ গৈ সৰ্বদৰ্শনসংগ্ৰহত মত আগবঢ়াইছে—

यावज्जीवं सुखं जीवेन्नास्ति मृत्युरगोचरः।
भस्मीभूतस्य देहस्य पुनरागमनं कुतः॥

চাৰ্বাক দৰ্শনৰ মূল গ্ৰন্থখন লাভ কৰা নাযায়। মাধৱাচাৰ্যৰ সৰ্বদৰ্শনসংগ্ৰহ, হৰিভদ্ৰ সুৰিৰ ষড়দৰ্শন সমুচ্চয় এই দৰ্শনৰ অন্যতম প্ৰামাণ্য গ্ৰন্থ। কৃষ্ণমিশ্ৰৰ প্ৰবোধ চন্দ্ৰোদয়ৰ নাটকৰ দ্বিতীয় অংকতো এই দৰ্শনৰ মতসমূহ লাভ কৰা যায়। আস্তিক দৰ্শনসমূহে চাৰ্বাক ব্যৱস্থাক নাস্তিক শিৰোমণি বুলি আখ্যা দিছে।

চাৰ্বাকদৰ্শনৰ মূল তত্ত্বসমূহ হ'লতে পৃথিৱী, পানী, জুই আৰু বতাহদ্বাৰা এই জগতৰ সৃষ্টি হৈছে, শৰীৰ, চেতনা আৰু বস্তু এই ভূতসমূহৰ দ্বাৰা সৃষ্ট; আত্মা শৰীৰতকৈ ভিন্ন সত্তা নহয়, আনন্দপূৰ্ণভাৱে জীয়াই থকাটোৱেই মানুহৰ জীৱনৰ অন্যতম উদ্দেশ্য, মৃত্যু মানেই হৈছে মুক্তি।

মাধৱাচাৰ্যৰ সৰ্বদৰ্শনসংগ্ৰহ গ্ৰন্থত চাৰ্বাকদৰ্শনৰ এই তত্ত্বসমূহক অতি সুন্দৰভাৱে আলোচিত হৈছে। অৱশ্যে এই দৰ্শনৰ [illegible] নিজা বৈশিষ্ট্য আছে। পৃথিৱীকে আদি কৰি চাৰিটা তত্ত্বদ্বাৰা জীৱদেহৰ সৃষ্টি হৈছে। এই প্ৰসংগত সৰ্বদৰ্শনে মত আগবঢ়াইছে — তত্ৰ পৃথিব্যাদীনি ভূতানি চত্বাৰি তত্ত্বানি। তেভ্য এব দেহাকাৰপৰিণতেভ্যঃ কিণ্বাদিভ্যো মদশক্তিবচ্চৈতন্যমুপজায়তে। চাৰিটা ভূতবপৰা

Write a note on Cārvākadarśana on the light of Sarvadarśanasaṁgraha.

<u>উত্তৰ</u>: ভাৰতীয় দৰ্শন আস্তিক দৰ্শন আৰু নাস্তিক দৰ্শন ভেদে দুই ভাগত বিভক্ত। ইয়াৰে আস্তিক দৰ্শন সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা, বেদান্ত এই ছয় ভাগত আৰু নাস্তিক দৰ্শন জৈন, বৌদ্ধ, চাৰ্বাক এই তিনি ভাগত বিভক্ত। আস্তিক দৰ্শন বেদৰ অস্তিত্বত বিশ্বাসী দৰ্শন হোৱাৰ বিপৰীতে নাস্তিক দৰ্শনে বেদৰ বিৰোধিতা কৰা দেখা যায়।

চাৰ্বাক দৰ্শন বস্তুবাদী দৰ্শন। এই দৰ্শনৰ অন্য নাম হৈছে লোকায়ত দৰ্শন। চাৰ্বাক দৰ্শনৰ প্ৰৱৰ্তক হৈছে বৃহস্পতি। চাৰ্বাক হৈছে বৃহস্পতিৰ অন্যতম প্ৰিয় ছাত্ৰ। সঠিক নিবন্ধ তথ্যৰ প্ৰমাণ বিচাৰি পোৱা নাযায়। বস্তুবাদী সকলক বুজাবলৈয়ে এই শব্দ প্ৰকৃতাৰ্থত ব্যৱহৃত হয়। বস্তুবাদী সত্তা হৈছে যিয়ে কেৱল মাত্ৰ খাই-বৈ আনন্দ কৰা দিনৰ ধাৰণা এটাকেই প্ৰকৃত সত্য বুলি বিবেচনা কৰে। 'চৰ্ব'ৰ অৰ্থই হৈছে খোৱা। চাৰ্বাক শব্দই 'চাৰু বাক' অৰ্থাৎ সুন্দৰ বচনৰ অনুষংগো নিৰ্দেশ কৰে।